


# প্ৰাণ আৰু ধানৰ গান

জিতেন বেজবৰুৱা

# প্ৰাণ আৰু ধানৰ গান

জিতেন বেজবৰুৱা

পৰিবেশক
**বান্ধৱ**
পাণবজাৰ, গুৱাহাটী

**PRAN ARU DHANOR GAN:**
**An anthology of songs composed by JITEN BEZBORUAH;**
**published by the author and distributed by BANDHAV,**
**Panbazar, Guwahati: 01;**
**1st edition: November, 2013;**
**Price: Rs 50/- (Rupees Fifty) only.**

---

প্ৰকাশ আৰু গ্ৰন্থস্বত্ব
জিতেন বেজবৰুৱা

পৰিবেশক
বান্ধৱ
পাণবজাৰ, গুৱাহাটী ঃ ০১

বেটুপাত ঃ দীপজ্যোতি শৰ্মা

মূল্য ঃ ৫০ টকা মাত্ৰ

প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ, ২০১৩

মুদ্ৰণ
ভবানী প্ৰিণ্ট এণ্ড পাব্লিকেচন্‌ছ
হাতীশিলা, পানীখাইতী, গুৱাহাটী ঃ ২৬

---

**PDF EDITION: PRAN ARU DHANOR GAN**
**uploaded to www.jitenbezboruah.wordpress.com**
**© Jiten Bezboruah, jiten.bezbaruah@gmail.com**

মোৰ কৈশোৰলৈ উভতি চালে

যি দুজন ব্যক্তিৰ ছবি একেলগে চকুৰ সন্মুখত ভাহি উঠে

. . .   . . .

মোক প্ৰথম চিন্তা কৰিবলৈ শিকোৱা

প্ৰসিদ্ধ যুক্তিবাদী লেখক **দেৱকান্ত সন্দিকৈ** (সন্দিকৈ দা)

আৰু

বন্ধুসুলভ প্ৰাণময় সান্নিধ্য আৰু সাহচৰ্যৰে মোক ধন্য কৰা

শিক্ষাগুৰু **ৰমেন বৰঠাকুৰ** (ৰমেন ছাৰ)ৰ

হাতত . . .

# আগকথা

জিতেন বেজবৰুৱাৰ *প্ৰাণ আৰু ধানৰ গান* সংকলনটিৰ নিৰ্বাচিত গীতসমূহ ছপাশাললৈ নৌ যাওঁতেই আমাৰ হাতত পৰিছিল। সংগীতৰ প্ৰতি অত্যন্ত অনুৰাগী ভাতৃপ্ৰতিম গীতিকাৰগৰাকীৰ সৈতে গানৰ মাধ্যমেদিয়েই আমাৰ আন্তৰিক পৰিচয় ঘটে। সেয়ে জিতেন বেজবৰুৱাৰ গীতখিনি পৰম আগ্ৰহেৰে আমি হাতত লৈ চকু ফুৰাই গ'লো এফালৰপৰা। প্ৰথমেই আমাৰ চকুত পৰিল সংকলনটিৰ নামটো – প্ৰাণ আৰু ধানৰ গান। তাহানি গণশিল্পী হেমাংগ বিশ্বাসৰ সৈতে গানৰ সৃষ্টিৰ বিষয়ে আলাপ কৰোতে কৈছিল, "গান আৰু ধানৰ অদ্ভুত সম্পৰ্ক আছে।" অসমৰ প্ৰখ্যাত কবি প্ৰয়াত হীৰেন ভট্টাচাৰ্যৰ কবিতাতো আমি উল্লেখ পাওঁ ঃ "পৰাণৰ একোটি গান ভঁৰালৰ এমুঠি ধান।" গীতিকাৰ জিতেন বেজবৰুৱাৰ সৃষ্টিতো সেই সুৰ প্ৰতিফলিত হোৱা দেখি ভাল পালো।

প্ৰেম, প্ৰকৃতি, ক্ষুধাৰপৰা তেজৰ চেকুৰালৈ, সামাজিক অসমতা, দাৰিদ্ৰ, বঞ্চনাৰপৰা গ্ৰাম্য জীৱনৰ ডুখৰীয়া ছবিলৈকে বিষয়-বিচিত্ৰতাৰে গীতসমূহ সমৃদ্ধ, বৰ্ণময়। গীতৰ নিজস্ব সীমাবদ্ধতাখিনি অতিক্ৰম কৰি কাব্যিক গুণ অটুট ৰখাটো আৰু একে সময়তে বিশেষকৈ শব্দৰ সুষম প্ৰয়োগৰ জৰিয়তে গীতৰ মাজত গীতিধৰ্মিতাখিনি সযতনে ধৰি ৰাখিব পৰাটো গীতিকাৰৰ ডাঙৰ কৃতিত্ব। জিতেন বেজবৰুৱাৰ গীতৰ মাজত সেই কৃতিত্ব আমাৰ ভালেই দৃষ্টিগোচৰ হৈছে। গীতসমূহ ইচ্ছা কৰিলে কবিতাৰ দৰে গাবও পাৰি, নতুবা সুৰেৰে ৰহণ চৰাই গাবও পাৰি। যেনে ঃ

তুমি চকু মেলি চোৱা
জাকি মাৰি ফুলি উঠক হেজাৰ কহুঁৱা।

নিভাঁজ অসমীয়া থলুৱা নিৰ্বাচিত শব্দসম্ভাৰৰ প্ৰয়োগ বৰ সুন্দৰকৈ ঘটিছে গীতৰ মাজত ঃ

ফুলাম পখিলাজনী আমঠু ডেও দি
সুৰুকীয়া বাট মোৰ এৰি উৰি গ'ল ...
তুমি মোক চুই দিয়া
বুকুৰ বাকৰিত নাচি উঠক
প্ৰেমৰ গাখীৰতী ধান
দেহৰ দিচাঙত সাত শাওণৰ
দোকোলটঁকা বান।

চৰম দাৰিদ্ৰই গ্ৰাস কৰা অসমৰ গ্ৰাম্য জীৱনৰ নিখুঁত ছবি তাহানি কেশৱ মহন্তই আঁকিছিল এনেদৰে ঃ

সুমলাৰ জীয়েকক চাওঁ বুলি সোমালো

সোণাপুৰত কিহবাৰ জুই
সুমলাৰ তাঁতশাল উঁয়ে কুটা দেখিলো
তাঁতশালিত সোণগুঁই।

তদ্রূপ ছবি এখন আঁকিছে গীতিকাৰ জিতেন বেজবৰুৱাই এনেদৰে ঃ

মাঘৰ মেজিৰ জুইত মিছাতেই সেকিছো হাত
কামীহাড় কঁপোৱা কুঁৱলি এজাকে মেৰাই ধৰিছেহি গাত
হেৰ' হিলৈ তই মিছাতেই ফুটিছ
মিছা তোৰ ফুটনি গপ
জাৰত আঁঠুঘিলা কঁপে ঠক্ ঠক্।

কবি হীৰেন ভট্টাচাৰ্যই তেখেতৰ গীতৰ সংকলন *তোমাৰ গান*ৰ পাতনিত এযাৰ ডাঙৰ কথা কৈছে ঃ "গানৰ লগত কবিতাৰ সম্পৰ্ক সুৰৰ জৰিয়তেহে।" কিন্তু লক্ষ্মীনাথ বেজবৰুৱাৰ গীতত সুৰ সংযোজনা কৰিবলৈ গৈ জ্যোতিপ্ৰসাদে আকৌ এনেদৰে কৈছিল ঃ "তেওঁৰ (বেজবৰুৱাৰ) গীতবোৰ এনেকুৱা ভাব আৰু ভাষাৰে জতুৱা ঠাঁচত লিখি থৈ গৈছে যে সি অসমীয়া সুৰ ৰচকৰপৰা আপুনি টানি তাৰ উপযোগী সুৰ উলিয়াই আনিব পৰা ক্ষমতা আছে। এই ক্ষমতা অসামান্য।" সেইফালপৰা চাবলৈ গ'লে গীতিকাৰসকলৰ গীত ৰচনাৰ ক্ষেত্ৰত সেই অসামান্য ক্ষমতা থকাটো বাঞ্ছনীয়। অৰ্থাৎ গীতিকাৰৰ গীতৰ মাজত কেৱল বিষয়বাস্তৱেই নহয়, তাৰ সৈতে ৰজিতা খোৱাকৈ ভাবৰপৰা ভাষালৈ, শব্দ নিৰ্বাচনৰপৰা সুষম গাঁথনিলৈকে লয়-ছন্দেৰে সুসজ্জিত হ'ব লাগিব। গীতিকাৰ কেশৱ মহন্তই আকৌ একেই প্ৰসংগত কৈছে ঃ কেৱল ভাষাটো অসমীয়া হ'লেই নহ'ব, তাত অসমীয়া ভাষাৰ কলিজাটো থাকিব লাগিব। তেতিয়াহে একোটি সাৰ্থক অসমীয়া গীত হ'ব।

সাম্প্ৰতিক সময়ত অসমীয়া গীত-মাতৰ প্ৰসংগত শ্ৰোতাৰ মাজত ভালেই অসন্তুষ্টি দেখিবলৈ পোৱা গৈছে। গীত ৰচনাৰ বিষয়টো আজিৰ বহুসংখ্যক গীতিকাৰে লঘু কৰি পেলোৱা বুলিও অভিযোগ উঠিছে। তাৰ মাজত জিতেন বেজবৰুৱাৰ গীতে এক আশাৰ সঞ্চাৰ কৰিছে বুলিব পাৰি। গীতিকাৰগৰাকীৰ গীতৰ মাজত তেওঁৰ গভীৰ অধ্যয়ন আৰু অনুসন্ধানী মনৰ পৰিচয় সুন্দৰকৈ ফুটি উঠিছে। আমি গীতিকাৰগৰাকীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

১৬ জুলাই, ২০১৩ — লোকনাথ গোস্বামী

# কিছু ব্যক্তিগত

প্ৰায়সকল লেখকৰ দৰেই মোৰো লেখক জীৱনৰ যাত্ৰাৰম্ভ সৃষ্টিশীল সাহিত্যৰ ৰচনাৰে। কিন্তু আজিকালি মই ধ্বংসাত্মক সাহিত্যৰ লগতহে বেছিকৈ জড়িত। গতিকে এই গানৰ সংকলনটো অতীতৰ মূল্যৱান ধ্বংসাৱশেষৰ নিচিনা। সংকলনত অন্তৰ্ভুক্ত গানবিলাক মূলতঃ ২০০৬ আৰু ২০০৭ চনৰ ৰচনা। ২০০৫ চনৰ দুটামান আছে; সেইবছৰেই মোৰ গান লিখাৰ আৰম্ভণি। ২০০৮ চনৰ দুটামান আছে; সেইবছৰেই মোৰ গান লিখাৰ সামৰণি। তাৰ পাছত মাজে মাজে দুটামান গান লিখাৰ চেষ্টা কৰিছিলো যদিও সেইবোৰ হয় শ্লোগান নতুবা তত্ত্বায়নত পৰিণত হোৱা দেখি ডাষ্টবিনত ঠাই দিলো। সংকলিত গানবিলাকৰ হয়তো বেছিখিনিয়েই পতান, কিন্তু তাৰ মাজতে যিকেইটা গুটি ওলাব সেইকেইটা নিশ্চয়কৈ উক্ত ফলপ্ৰসূ বছৰদুটাৰে ৰচনা হ'ব। জীৱনধাৰাৰ পৰিৱৰ্তন, ব্যক্তিসত্তাৰ বিৱৰ্তন আৰু বৌদ্ধিক বিকাশে ক্ষেত্ৰবিশেষে সঁচাকৈয়ে মানুহৰ কবিসত্তাক ধ্বংস কৰি পেলাব পাৰে নেকি, সেয়া মোৰ বাবে আজিও দুৰ্বোধ্য হৈ আছে। গানৰ আগতে মই কবিতা লিখিছিলো। কিন্তু আজি মই কবিতাৰপৰাও বহু দূৰত।

বিকশমান মানসিক স্তৰৰ ৰচনা হিচাপে সংকলিত গানখিনিত চমৎকাৰ আৰু সম্ভাৱনা যিমান, তাতকৈ বোধহয় দুৰ্বলতা আৰু স্ববিৰোধ অধিক বিদ্যমান। তথাপি জীৱনবোধ আৰু সমাজচেতনাৰ পৰশ কম-বেছি পৰিমাণে গানবিলাকত আছে বুলি মোৰ বিশ্বাস। তদুপৰি প্ৰকৃতিৰ সৈতে আত্মিক সম্পৰ্ক তথা অসমীয়া ভাষাটোৰ প্ৰতি আন্তৰিকতাৰ স্বাক্ষৰ গানবিলাকে বহন কৰিছে। মই অসমীয়া সংগীতৰ এজন মনোযোগী শ্ৰোতা; সেয়ে জ্ঞাতে-অজ্ঞাতে বিভিন্নজন গীতিকাৰৰ প্ৰভাৱ মোৰ গানত পৰিব পাৰে। ভাষাৰ ক্ষেত্ৰত বিশেষকৈ আনন্দিৰাম দাস আৰু পাৰ্বতিপ্ৰসাদ বৰুৱাৰ প্ৰভাৱ আছে। ভাষাৰ সেই মসৃণতা মই খুব ভাল পাওঁ। পিছে তাৰ সীমাবদ্ধতাসমূহো গুৰুতৰ; ভূপেন হাজৰিকাৰ গান শুনিলেই সেয়া উপলব্ধি কৰিব পাৰি। হীৰেন ভট্টাচাৰ্যৰ প্ৰভাৱো হয়তো বহুখিনি আছে। সি যি নহওক, কিছুসংখ্যক গান অন্তৰৰ তাগিদাত লিখা হ'লেও আন কিছুসংখ্যক কিন্তু বিশেষ বিশেষ ঠাঁচত কৰা সচেতন নিৰ্মাণ; মোৰ ব্যক্তিগত অভিজ্ঞতা আৰু ভাবনাৰ পৰিসৰৰ বাহিৰৰ এই নিৰ্মাণবোৰত মোৰ স্বকীয়তাখিনি কেৱল ভাষাটোতহে বিচাৰি পোৱা যাব। আনহাতে, গানখিনিৰ মাজত মোৰ কবিসত্তা আৰু সেই সময়ৰ ৰাছেলীয় যুক্তিবাদী সত্তাৰ মাজৰ বহুখিনি অমীমাংসিত দ্বন্দ্ব অদৃশ্য ৰূপত লুকাই আছে। উদাহৰণস্বৰূপে, যেতিয়া মই লিখিছো "পৰো পৰো হোৱা আবেলিৰ বেলিটিক সেন্দূৰ পিন্ধালে কোনে", তেতিয়া হিন্দু নাৰীৰ শিৰৰ সেন্দূৰকণৰ সৌন্দৰ্যক সহজভাৱে গ্ৰহণ কৰিব নোৱৰা মোৰ যুক্তিবাদী সত্তাই স্বাভাৱিকতেই স্বস্তি অনুভৱ কৰা নাই। তদুপৰি গানখিনিৰ মাজত যিটো গ্ৰাম্য জীৱনধাৰা অংকিত হৈছে সেয়া আজি কালৰ দিগন্তত বিলীয়মান; নতুন সমাজবাস্তৱৰ ছবি এইসমূহত নাই বুলিবই পাৰি। এয়া গানখিনিৰ মৌলিক সীমাবদ্ধতা।

বৰ্তমানৰ সৰ্বাত্মক সাংস্কৃতিক নৈৰাজ্যৰ মাজত সংগীতৰ প্ৰাণ হেৰাই গৈছে। সংগীতৰ ভৱিষ্যত যিটো প্ৰজন্মৰ হাতত সেই প্ৰজন্মটোৱেই আজি পুঁজিবাদী দুষ্কৃতিৰ নিচাত আত্মহাৰা। গতিকে সংগীতৰ প্ৰাণ প্ৰতিষ্ঠা কৰিব কোনে? প্ৰকৃততে সংগীতৰ এই সংকট আমাৰ সমাজৰ

সামগ্রিক সংকটৰ সাংস্কৃতিক প্ৰকাশ মাত্ৰ। সেয়ে ৰূপান্তৰ বিচৰা শিল্পী-গীতিকাৰসকলে কেৱল গাব-লিখিব পাৰিলেই নহ'ব; সংস্কৃতিৰ পূৰ্ণাংগ ৰূপ তথা সমাজৰ সৈতে ইয়াৰ জীৱন্ত আৰু সৃষ্টিশীল সম্পৰ্ক তেওঁলোকে উপলব্ধি কৰিব পাৰিব লাগিব। সেই ৰূপান্তৰ প্ৰচেষ্টা হ'ব লাগিব হাজাৰজন নিবেদিতপ্ৰাণ কৰ্মীৰ সন্মিলিত সংগ্ৰাম। প্ৰতিকূল সাংস্কৃতিক পৰিবেশৰ মাজত এই অভাজনৰ গানৰ সংকলনটোৱে যদি পাঠকৰ মনত উক্ত প্ৰশ্নসমূহ কিঞ্চিত হ'লেও জগাই তুলিব পাৰে, তেন্তে মই নিজকে ধন্য মানিম।

খুব সম্ভৱ ২০০৬ চনৰ আৰম্ভণিতে লোকনাথ গোস্বামীদাক ইতিমধ্যে লিখা গানখিনি দেখুৱাইছিলো। তেওঁ পঢ়ি চাই উৎসাহ যোগাইছিল। তেতিয়াই ঠিক কৰিছিলো যে ভৱিষ্যতে যেতিয়াই গানৰ সংকলন নুলিয়াওঁ লাগে, তেওঁকেই আগকথা লিখিবলৈ দিম। আৰু আজি আশা কৰা মতেই তেওঁৰপৰা সঁহাৰি পালো। গতিকে তেওঁলৈ আন্তৰিক ধন্যবাদ। ড° শিৱনাথ বৰ্মন ছাৰেও দুটামান গান পঢ়ি মূল্যবান পৰামৰ্শ আগ বঢ়াইছিল। আনহাতে, সংকলনটোৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক নাথাকিলেও বৰ্তমান মোৰ দুৰ্দশা-বিদীৰ্ণ চাকৰিকালছোৱাত বৌদ্ধিক চৰ্চাৰ বন্তিগছ্ ঢিমিক-ঢামাককৈ হ'লেও জ্বলাই ৰখাত যিজন ব্যক্তিয়ে অসামান্য বৰঙণি যোগাই আহিছে তেওঁ হ'ল প্ৰসেনজিৎ চৌধুৰী ছাৰ। দুইজন ব্যক্তিকে শ্ৰদ্ধা জনালো। বন্ধু মনজিৎ গগৈ, অনুজ বেজবৰুৱা, গৌৰৱ কুমাৰ বৰা, দীপজ্যোতি শৰ্মা, গৌতম প্ৰিয়ম মহন্ত, বান্ধৱৰ ৰঞ্জন শৰ্মাদা, লোকনাথ এণ্টাৰপ্ৰাইজৰ পংকজ চৌধুৰীদা ঃ সংকলনটোৰ বাবে প্ৰত্যক্ষ-পৰোক্ষভাৱে সহায় কৰা এইসকলৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিলো। শেষত সহধৰ্মিণী শ্ৰীমতী পপী শইকীয়াক ধন্যবাদ যাচিলো যাৰ অতিৰিক্ত শ্ৰম আৰু প্ৰেৰণা অবিহনে এই সংকলনটো সম্ভৱপৰ হৈ নুঠিলেহেঁতেন।

১১ অক্টোবৰ, ২০১৩
পিছনিশা ০৩:০৭ বজা

**জিতেন বেজবৰুৱা**
ফোন : +৯১৯৬৭৮৩১৫৮২৭
ই-মেইল : jiten.bezbaruah@gmail.com

# সূচীপত্ৰ

তুমি অহাৰ আগলিবতৰা।। ১
আইতাৰ হাতৰ কাচিখন সুলকি।। ২
চকুৰ পতা দুটি দিয়া সানি দিওঁ।। ৩
জিপ্ জিপ্ কৰে বৰষিলে নহয়।। ৪
জী-ব লাগিলে পি-ব লাগিবই।। ৫
মাজনিশা কোনে কান্দি থৈ গ'ল।। ৬
শেৱালি সৰিলে আহিন আহেনে।। ৭
আহিলে আহিনতে আহিবি লাহৰী।। ৮
আহিনক লগ পালে সুধিবা।। ৯
শেৱালি আহিনে কিবা ভাগিনী মাহীনে।। ১০
শেৱালি নুবুলি বুলিবা ল'ৰালি।। ১১
কাতিৰে উৰুঙা ৰাতি।। ১২
আঘোণলৈ কিমানে দূৰ।। ১৩
আঘোণৰ পথাৰত গোন্ধালে ধান।। ১৪
মাঘৰে মেজিত মিছাতেই সেকিছো হাত।। ১৫
এইবেলি ফাগুনটো।। ১৬
ভোগমনকাই তৰাদৈ।। ১৭
মুখ ওন্দোলাই পছোৱাজনী।। ১৮
ব'হাগ এটি নিয়ৰ টোপাল।। ১৯
গহৰাৰ বাউসিত সৌপাহ কপৌ।। ২০
বিহুৱাৰ তেজেৰে ৰঙালী ৰাঙলী হ'ল।। ২১
বুঢ়াপাত সৰিব লেৰেলি পৰিব।। ২২
বুকু জীপাল কৰা বৰষুণত।। ২৩
কাকনো বুলিবা ককা।। ২৪
ভুল বুলি কোৱা যদি কোনোবা ওলায়।। ২৫
মানুহে যদি হাত মেলি দিয়ে।। ২৬
মানুহে কান্দিব পাৰে।। ২৭
মানুহৰ তেজে যদি পিয়াহ গুচায়।। ২৮
আই তোৰ বাটৰ ধূলি।। ২৯
অ' মোৰ গাঁৱৰ মাটিয়ে মাতে।। ৩০
বহুদিন হ'ল মই গান লিখা নাই।। ৩১
কোনে শুনে কোনে নুশুনে।। ৩২
হৃদয়ৰ সাতোটা বেথা।। ৩৩
এটা জীৱন জীয়াই থাকিবলৈ।। ৩৪
তোমাৰ চকুত তৰা ফুলা দেখি।। ৩৫
ফুলবোৰ ফুলিবলৈ ভাল।। ৩৬
ধূলিৰ এজাকি তপত বতাহে।। ৩৭
মোৰ হাতত গোলাপ নাপাবা।। ৩৮
তুমি চকু মেলি দিয়া।। ৩৯
মই এটুকুৰা মম।। ৪০
আবেলিৰ বেলিটো ফাটি।। ৪১
এই জোনাক ইমান নিজান।। ৪২

এজাৰৰ ৰঙা ফুল।। ৪৩
বেলফৈৰ ফুলত।। ৪৪
বাহলৈ ওভতা বগলি এজাকে।। ৪৫
দুপৰীয়াই নাহিলা।। ৪৬
আগলি বতাহৰ উমাল কোলাত।। ৪৭
মোৰ বুকুৰ বগলি-বাঁহ।। ৪৮
দূবৰি-গামোচাত দুভৰি গ'লাহি।। ৪৯
গধূলিগোপালে ফুলে জাকি মাৰি।। ৫০
গৰখীয়া বেলি ডুবো ডুবো হ'ল।। ৫১
মোৰ জীৱনৰে দুখ-বেদনাবোৰ।। ৫২
এগাগৰি ভৰাই ওখ গৰা বগাই।। ৫৩
গোলাপ যদি নোৱাৰো হ'ব।। ৫৪
যুদ্ধ মানে কোনো ফূৰ্তি নহয়।। ৫৫

•••••••••••••••••••

(১)

তুমি অহাৰ আগলিবতৰা
বতাহক পঠাবা কৈ
মই ফুলি আছো লঠঙা ডালত
তেজত ডুবোৱা এপাহ
ৰঙা শিমলু হৈ

আকাশৰ সৌ শিতানৰ ফালে
দুচকল ডাৰৰ তিতি আছে
মই শিমলুৰে গুণিব লাগিছো
আৰু কেইপৰ বাকী আছে

বতাহজাকে নাহৰপাতে
ফুচফুচাই কিবা পাতে
হয়তো তোমাৰে অহাৰ কথা
মোকহে নিদিয়ে কৈ।

(ৰচনাকাল ঃ ০৩-০৯-২০০৬)

(২)

আইতাৰ হাতৰ কাচিখন সুলকি

আকাশত হ'লগৈ কাঁচিজোন

দেউতাৰ বাউসিৰ ঘামকেইটোপালে

তৰা হৈ কেনেকৈ কান্দিছে শুন্

আকাশ নহয় সেয়া

ককাদেউতাৰ ফটা এৰীয়া চাদৰ

আইৰ দুচকুৰ গোটমৰা চকুলো সেয়া

নহয় ডাৱৰ

চেঁচা শেতেলিয়ে ভাঙে সপোন

মাৰলিৰ কাষেদি ভালেকৈ দেখিছো জোন

বুকুৰ ভিতৰত ছাটি-ফুটি কৰে

পুৰণি বেদনাৰ বোবা কান্দোন।

(ৰচনাকাল ঃ ২৯-১২-২০০৬)



(৩)

চকুৰ পতা দুটি দিয়া সানি দিওঁ

নীলা আকাশৰ নীলা গলি সৰা

কণ বৰষুণৰ ৰেণু

বুকু পাতি দিয়া

কুমলীয়া এটি নাহৰপাতেৰে

আঁকি দিওঁ মই ৰামধেনু

আৱৰণ গুচাই দিয়া

সেমেকা এছাটি চেঁচা বতাহে

হৃদয় কোবাই য'ক

দুখনি গালত চকুপানীৰ

হেজাৰ টোপাল ফুলক

তোমাৰ বুকুৰ ৰামধেনুখন

চাওঁ তুলি ধৰাচোন

ওৰে নিশা হেজাৰ তৰাই কান্দি কান্দি আৰু কান্দক

উচুপি উঠক শিলৰ জোন

এন্ধাৰ ফালি নামি আহক

চকুপানীৰ বৰষুণ।

(ৰচনাকাল ঃ ২৩-০৭-২০০৭)

(৪)

জিপ্ জিপ্ জিপ্ কৰে বৰষিলে নহয়

কলহৰ কাণেৰে ঢালক

হুৰমুৰ বতাহত বাঁহৰ আগলি

আপোন পাহৰি ঘূৰি নাচক

বৰনৈৰ বৰবুকু টৌৰে খলক লাগক

গোৰত গাজি তোৰ আগত বৰষা

টালিবাজিবোৰ থ অ' মেঘ

অথালি পথালি পথাৰত বৰফাট

ধূলিয়ৰি চৌপাশ খৰাঙত দেশ

আশাৰ ভাষাৰে কেঁচা ডাৱৰ নামক

দিকচৌ বনতে লাগক হুৰাদুৰা

ঢেৰেকনি লাগি দেশ থৰ্থৰ্ লৰক

বিজুলিৰ চকুটিপে চেৰেকনি আহি

ঘৰৰ বহিখোৱা ধুই থৈ য'ক

ফেনে-ফোটোকাৰে দেশ পখালি নিয়ক।

(ৰচনাকাল ঃ ১৭-১২-২০০৫)



(৫)

জী-ব লাগিলে পি-ব লাগিবই

জীৱনৰ একলহ বিহ

সী-ব লাগিবই বিষাদৰ মুকুতা

হেৰুৱালেই উৱাদিহ

কৰিব লাগিব কচুপাতত পানী ৰখাৰ প্ৰয়াস

ছিঙো বুলিও থমকিব লাগিব পায়ো গোলাপৰ কাষ

জীৱন বোলোতেতো বুজিছা

ওখোৰা মোখোৰা ছন্দ লয়ৰ

এক নিৰ্মম কবিতা

কোৱাচোন কেনেদৰে পঢ়িছা।

(ৰচনাকাল ঃ ১৮-০৫-২০০৬)

(৬)

মাজনিশা কোনে কান্দি থৈ গ'ল
পুৱা দূবৰিত চকুপানী
কাৰ ওঁঠৰ হাঁহি বাৰু এয়া
শেৱালি পাহিত মিচিকনি

নিয়ৰত সেমেকা এডৰা বন
ঘনকৈ বননি এনেনো শুৱনি
কেনেবা কেনেবা কৰিছে মন

কিনো কুঁৰলিয়ে ঢাকিলে বাট
ইফালে নমনি সিফালে নমনি
লাহেকৈ শৰতে লগালে মাত।
(ৰচনাকাল ঃ ২১-১০-২০০৬)



(৭)

শেৱালি সৰিলে আহিন আহেনে
আহিন আহিলে শেৱালি সৰে
মোৰহে তোমালৈ মনত পৰেনে
তোমাৰো মোলৈ মনত পৰে

পুৱা যেতিয়া নিয়ৰ সৰে
অন্তৰ মোৰ সেমেকি পৰে
হয়তো তোমাকো সোঁৱৰণিয়ে
আগচি আগচি আমনি কৰে

দূবৰিৰ ওঁঠত এটোপাল নিয়ৰে
ৰ'দত হাঁহিলে মিচিকিয়াই
দুচকুত মোৰ তোমাৰ মুখখনি
বাৰে বাৰে আহে দোলা দি যায়
তোমাৰ হিয়াতো উঠেনে কঁপনি
সৰা শেৱালিয়ে বুজাই দিয়েনে
সোঁৱৰণি মানে চকুপানী।
(ৰচনাকাল ঃ ০১-১০-২০০৬)

(৮)

আহিলে আহিনতে আহিবি লাহৰী
পদূলিৰ দূবৰিৰ শেৱালি গচকি
ঘুমটি ভাঙিবি মোৰ
কুঁৰলিৰ ওৰণি যাবগৈ আঁতৰি
বাজিব পাহৰা সুৰ

গেঁৰধৰা সুৱাগমণিৰ বতাহী থোক
পাহৰি নেযাবি অতীতক মোক
অতীতৰ কাহিনী পাহৰাই থ'বলে
যিমানেই নকৰ পণ
যতবাৰ নাবান্ধ মন
শয়নে সপোনে আমনি কৰিব তোক

তোৰে ঐ লগতে কতখন কৰিলো
চেনেহত বলিয়া হৈ
মিচিমিৰ বৰেবিহ খায়ো নমৰিলো
বুকুতে বৰেবিহ লৈ।

(ৰচনাকাল ঃ ০৫-১০-২০০৫)



(৯)

আহিনক লগ পালে সুধিবা
বাৰে বাৰে কাৰ প্ৰেমত পৰে
এবাৰ আহি পদূলি পালেই
নেযাওঁ নথওঁখন কেলেই কৰে

ফুলিছিলিহে শেৱালি
কেলেই সৰিলি
হিয়ালি জিয়ালি কৰি
তোক কোলাতকৈ লওঁ নে
কোঁচতে বহুৱাই থওঁ
হিয়াখন আঁকুহি নিলি

আহিনে আনে কি
আহিনে জানে কি
আহিনে কৰে কি আকুল কৰি
কুঁৰলিৰ সিপাৰে ল'ৰালিৰ ধেমালি
মনিবহে নোৱাৰি।

(ৰচনাকাল ঃ ২১-০৯-২০০৭)

(১০)

শেৱালি আহিনে কিবা ভাগিনী মাহীনে
দূবৰি বনতে পাতিলে মেলা
বৰনৈৰ পানচৈ টৌৰে খেলিলে
ৰিঙাকৈ বিৰিণাত বেথা
কাঁহিবন ভুৰুঙাই আবেলিৰ বগলি
চেনেহৰ অঁহীয়া লেঠা
আমঠু আঁজোৰা খেলা অ' সুৱাগী
দূবৰি বনতে পাতিলে মেলা

আগলি কলাপাত লাজুকী মলয়াত
ইলুটি সিলুটি কৰে
লতীয়া চেনেহক এৰিব নোৱাৰি
সঘনে মনতে পৰে

তাহানি তাঁতৰে পাটতে বহোতে
পদূলিৰে ধূলি লেখা
হেঁপাহৰ জৰীডাল আঁজুৰি পেলালি
আঁতৰি হ'লি নেদেখা।

(ৰচনাকাল ঃ ২৪-০৯-২০০৫)



(১১)

শেৱালি নুবুলি বুলিবা ল'ৰালি
পদূলিৰ মূৰৰে ধূলি বালি
যৌৱনৰ পছোৱাই নিলে ঐ উৰুৱাই
তামোলৰ ঢকুৱা গাড়ী
টিলিকি আমৰে ঠাৰি

পাটীদৈৰ জোপোহাত ডাউক লুকালে
দুৱাৰত শুকালে টিকনিবৰা
সময়ৰ ধেমালি সময়ত হেৰালে
খহিলে বালিঘৰ ভাগিলে চ'ৰা

কাকিনি তামোলত বাহে ঐ টোকোৰা
কলিজাৰ তেজতে জ্বলিছে একুৰা
ল'ৰালিটো হেৰাই যোৱাৰ বেজাৰ
ছাটি ফুটি বান্ধে সহিব নোৱৰা।
(ৰচনাকাল ঃ ০৫-১০-২০০৫)

(১২)

কাতিৰে উৰুঙা ৰাতি
কৃষ্ণা দশমীৰ তিথি
তুলসীৰ তলত মাটি চাকিগছি
জ্বলো কি নজ্বলো ঢিমিকি ঢিমিকি
বুকুতে উজনি ভাটি

চেঁচাকৈ এছাটি বতাহ বলিছে
বৰেকৈ লাগিছে জাৰ
মাটি চাকিগছি নুমাব খুজিছে
চাৰিওফালে এন্ধাৰ

পেটৰে কুমটি কান্দিব লাগিছে
দুসাঁজি খোৱা নাই ভাত
কাঢ়ি খোৱাবোৰৰ শকতি বাঢ়িছে
উলটি নিদিয়ে মাত।

(ৰচনাকাল ঃ ২৩-১০-২০০৬)



(১৩)

আঘোণলৈ কিমানে দূৰ
শাওণে ক'লে যিমান ঘাম
আছে বাহুত তোৰ

আয়ে জানে আঘোণে জানে
কাচিখনৰ শান
কঠীয়াতলীৰ মাটিয়ে জানে
কেঁচাঘামৰ দাম

হেৰ' পথাৰৰ ধান
তয়েই মাথোন কাণ পাতি শুন
মোৰ কলিজাৰ গান
আনে শুনাকৈ গাই দে-চোন
মোৰ বুকুতো আছে সপোন
নতুন আশাৰ বান।

(ৰচনাকাল ঃ ২৫-০৬-২০০৬)

(১৪)

আঘোণৰ পথাৰত গোন্ধালে ধান

কুঁৰলিৰ আভৰণ সুলকি পৰিলে

বগা ডাৱৰে গায় ৰ'দৰে গান

ৰ'দ পাই গোন্ধালে ধানে ঐ

বতাহত গোন্ধালে ধান

ধানৰে গোন্ধটি নাকতে লাগিছে

উজাওঁনে ভটিয়াওঁ কৰিছে প্ৰাণ

দোঁ খাই পৰিবৰ থোকে ঐ

ভৰপক ধানৰে থোক

থোকে থোকে মিলি আলচখন পাতিছে

কেতিয়া আহিব দাবহি মোক।

(ৰচনাকাল ঃ ০৪-১০-২০০৬)



(১৫)

মাঘৰে মেজিত মিছাতেই সেকিছো হাত

কামীহাড় কঁপোৱা কুঁৱলি এজাকে

মেৰাই ধৰিছেহি গাত

হেৰ' হিলৈ তই মিছাতেই ফুটিছ

মিছা তোৰ ফুটনি গপ

জাৰত আঁঠুঘিলা কঁপে ঠক্‌ঠক্

ভোগমন নাম লোৱা ভিকহু তই

ভোগালী নাম দি কঙালীকে পাত

ভগা ভেলাঘৰত টোক চকুপানী

মিছাতে কেলেই বিহুটোক মাত

খেতিটো চপালো খেৰে ই পতানে

গাৰহে কেঁচাঘাম বাজ

যাগৈ ভোগালী নাহিবি উভতি

আমাক নিদিবিহি লাজ।

(ৰচনাকাল ঃ ১৪-০১-২০০৭)

(১৬)

এইবেলি ফাগুনটো বেছিকে ফাগুন ফাগুন লাগিছে
আঁকোৰগুজীয়া পছোৱাজাকে বুকু কঁপাই তুলিছে

গছৰ বুঢ়াপাতে ডালক সুধিছে
সৰি পৰোনে
মোক নিবলৈ যে ফাগুন আহিছে

ফাগুনে হেনো নিয়ম নেমানে
কোনেনো ক'লেহি কাণে কাণে
বতাহৰ সৌ চাকনৈয়াতে
সৰাপাতবোৰে নাচিছে

মূধৰ মাৰলিৰ ঢেঁকীয়ালতি
নিনিবি ফাগুন অ' আঁজুৰি ছিঙি
তোৰ শকতি পাৰেঁই বুজি
আকৌ বুজাব কিয় লাগিছে।
(ৰচনাকাল ঃ ১৬-০৮-২০০৬)



(১৭)

ভোগমনকাই তৰাদৈ কোনোবাই দেখিছনে ঐ
হালৰে কজলা গৰুটো মোৰ শিং ধেনুভিৰীয়াকৈ
পৰহি পুৱাতে চৰিবৰ গ'ল যি আজিলৈ নাহিলে ঘূৰি
মঙলত কৈছে পছিমৰ কোনোবা টুপতে আছেগৈ চৰি

মাঘৰে নৰানি কোনেনো জ্বলালে এপথাৰ জুই আৰু ছাই
ধোঁৱাৰ মাজে মাজে ফেঁচু শালিকীয়ে কিবাটো থপিয়াই খায়
সিপাৰে কনকৰ তামোলনি বাৰী ৰিণিকিহে দেখা যায়
উৰাদিহ নোপোৱা মাজপথাৰতে আঁতে ঐ হেৰাব পায়

ঘৰ লোৱাবলৈ একোমুঠি নিমখ খুৱাইছিলো নতুনত
নিশাৰ এন্ধাৰতো কজলা বুলিলেই চিনিছিল এযাৰি মাতত

নেজডাল জোকাৰি কজলা আহিছিল যোৱাৰাতি সমাজিকত
দহো আঙুলি মোৰ চেলেকি চেলেকি কিবা বিচাৰিছিল হাতত
সাৰ পাই দেখিলো গালত মোৰ চকুলো
শূইন মোৰ দুইখন হাত
গোহালিত আছে বৈ ৰঙাটো অকলে
বুকুৰে হাহাকাৰ কৰে ঐ দেখিলে
পেটলৈ নোসোমায় ভাত।
(ৰচনাকাল ঃ ০৯-১০-২০০৬)

(১৮)

মুখ ওন্দোলাই পছোৱাজনী

ততাতৈয়াকৈ কেনিবাদি গুচি গ'ল

ডালে পাতে লাগি ছিগি

মাকৰ ঘৰ নৌপাওঁতেই

চুলি সৰি শেষ হ'ল

পছোৱাই মেলিলে চুলি

লেঙা শিমলুৰ আগ পায়গৈ বালি

নঙঠা গছে যে তত্ নেপায়

জাৰত কঁপে ঠেঙুলি মেলি

পছোৱাই আঁচল উৰায়

কত সৰাপাতে নাচোন সামৰি

ধূলিত টোপনি যায়

ৰঙা মদাৰে ফোঁপাই জোপাই কুঁহি-নাহৰক কয়

এইজনীৰ অকণো লাজ কাজ নাই।

(ৰচনাকাল ঃ ২৬-০২-২০০৭)



(১৯)

ব'হাগ এটি নিয়ৰ টোপাল

নিশা পুৱতি সৰে

নাহৰ পাতৰ ওঁঠত ওলমি

ৰ'দৰ হাঁহিটি মাৰে

আমাৰ তেজৰ সিৰাই সিৰাই

ব'হাগ ব'হাগ গোন্ধ

তোমাৰপৰা মোৰ বুকুলৈ বাটটি কৰো পোন

ব'হাগ নামৰ আকাশখনিত

তোমাৰ আমাৰ

চেনেহ আৰু কেঁচাঘামৰ জোন

বিহুঢোলত হাত থ'লেহি

নাচে আঁহতৰ পাত

মোৰ বুকুখন কিমানে দ

পাৰে মাথোঁ ব'হাগে ক'ব

ব'হাগ যে মোৰ গাল দুখনিত

আইৰ সেমেকা হাত।

(ৰচনাকাল ঃ ২৭-০৪-২০০৬)

(২০)

গহৰাৰ বাউসিত সৌপাহ কপৌ
ব'হাগী আহিবৰ হ'লনে নৌ
কেতেকীৰ মাততে কুঁহিপাত লৰিছে
দেহাৰে মাজতে থৌকিবাথৌ

পুহিতা ফাগুনী টোলোঠা সামৰি ৰিহাৰে বাটিলে দহি
বহনাৰ টঙালিত তইহে মালতী আছ গুটিফুল বাছি

মালভোগ কেইটৌ তিয়ালি আইতা
দুৰ'দীয়া হ'লনে হালধীয়া বৰা
গাঁৰিশলি কঁপিব বুকুত গোটাকৰাই লৈ
খুঁটিতে টেকেলি ৰ'বনে দদাইটি
হাত তেলেতীয়া কৰা এঠা এঠা দৈ

নলডাল পবিয়াই সাজিলি পেঁপাটি ঢোলটি ছোৱালি ক'ত
আৰুবেলিৰ বিহুনাম ল'লিনে সোঁৰৰাই
দূবৰি মাৰিবি ক'ত
যোৱাবাৰ নাচনী নচুৱাই থাকোতে নাকটি ছিগিছিল য'ত

জৰিতলৰ বিহুতে নাচিবি চেনেহী
দেহাত যৌৱনৰে টৌ
পেঁপাৰে লহৰত মুগা ৰিহা খহিব
ছিটিকি পৰিব খোপাৰ কপৌ
ঘামে ঐ সৰিব জৌ জৌ জৌ।

(ৰচনাকাল ঃ ৩০-০৩-২০০৬)



(২১)

বিহুৱাৰ তেজেৰে ৰঙালী ৰাঙলী হ'ল
তথাপি বিহুটি পাতিব লাগিব
ওলা ঐ নাচোঁগে ব'ল
আমাৰ চকুলো চাই হাঁহি থকা মুখবোৰ
আমিয়ে জপাবৰ হ'ল

নাচনীৰ দুয়োহাত তেজেৰে ৰাঙলী
সিয়ে হ'ব জেতুকাৰ বোল
ভায়েৰক হেৰুওৱাৰ এবুকু বেদনা
তাৰেই বাঁহীটিত বিননি তোল্
আঘাতেৰে ভৰা মূৰৰ যি বেণ্ডেজ
সিয়ে ফুল-গামোচাৰ পাগুৰি হ'ল

মিছা নেতাগিৰি দেখুৱায় যিবোৰে
ঢোলৰ গিৰ্‌গিৰনি হওক সকীয়নি
সিহঁতে বুজক ভালদৰে
আজিও আমাৰ গাত তেজ আছে
বুকুৰে বুকুৰে পথৰুঘাট হেজাৰ কাকপথাৰ শুই আছে
সিহঁতৰ উৎপাত বাঢ়িব যেতিয়া
খংশিঙা এই বিহুপেঁপাটি বাজিব তেতিয়া
যুঁজলৈ সকলো সাজু হৈ আছে

শুন্ হেৰ' তেজপিয়াহঁত নকৰ অহংকাৰ
আমাৰ কান্ধতে সদায় আছে ইতিহাসৰ ভাৰ
তেজে ৰাঙলী ৰঙালীতে ল'লো শপত বাৰম্বাৰ।

(ৰচনাকাল ঃ ১০-০৪-২০০৬)

(২২)

বুঢ়াপাত সৰিব লেৰেলি পৰিব
কুঁহিপাতে ল'ব ঠাই
সৰাপাতে উচুপিলেও
নতুন ঠালত ঠাই নাপায়

সৰাপাত এমুঠি বুকুত সাবটি
আঁকোৰগুজীয়া তই
পুৰণিক খামুচি ৰাখিব নোৱাৰ
সময়ে মোহাৰি থয়

নতুনে কাকোৰে মূৰ নোদোঁৱায়
নতুনে ক'তোৰে নামানে হাৰ
নতুনৰ পছোৱা বেগাই বলিছে
বহলাই মেলি দে বুকুৰ দুৱাৰ

নতুন দিনৰ সমদলত পুৰণি অসহায়
ন-কুঁহিপাতে সৰাপাতক পুতৌৰ চকুৰে চায়।

(ৰচনাকাল ঃ ১১-০৩-২০০৭)



(২৩)

বুকু জীপাল কৰা বৰষুণত
আহক আশা গজোৱাৰ শাওণ
হিয়াই হিয়াই বাঢ়ক ভালপোৱাৰ শইচ
নামি আহক ভালপোৱাৰ আঘোণ

আশা উঠক জ্বলি ওঁঠৰ কোণত
চকুত জ্বলক মাথোঁ পুৱাৰ বেলি
প্ৰতি হৃদয় হ'ক শিশুৰ হৃদয়
ৰজন্জনাই য'ক শিশুৰ হাঁহি
সূৰ্যমুখীৰ পাহিত উঠক পখিলা এটিৰ উলাহ নাচোন।

অতীত মাথোঁ অতীততে থাকক
বকলা জপাই দিয়া
উঠি অহা সূৰুযৰ ফালে
দুহাত মেলি দিয়া
সূৰ্যমুখীৰ পাহিত উঠক পখিলা এটিৰ উলাহ নাচোন।

(ৰচনাকাল ঃ ০২-০৭-২০০৬)

(২৪)

কাকনো বুলিবা ককা
আটাইৰে দাড়ি চুলি পকা
কোনোবাই পাতি যায় কোনোবাই মাছ খায়
কোনজন অঁকৰাৰ খোকা

ককাৰ দিনৰ বাৰীৰখীয়াই
গোপনে বেচে তামোলৰ থোকা
ভাং বুলি শুনিলেই দাঙ্ খাই উঠাজনে
জুহালত ঠেং মেলি নিতৌ খায় হোকা

চোৰক ধৰিবলৈ যোৰাবোৰ বেছি চোৰ
গিৰীহঁতক শোধালে চোৰে থিয়গোৰ
ৰজা দোষী গুচৰীয়াই একেখন কাঁহীতে খায়
আনক দেখাই মহাজনেও লয় বুঢ়ীকোৰ।

(ৰচনাকাল ঃ ২১-০৮-২০০৬)



(২৫)

ভুল বুলি কোৱা যদি কোনোবা ওলায়
আহ্‌চোন কৈ যা-হি বুকু ফিন্দাই

ঠেং চুটি হ'লেও মিছা কথাই পেং লৈ হাঁহিমুখে আগুৱাই যায়
মিছাৰ গতা খাই সঁচা কথাই গৰম পানীত পৰি আছে কক্‌বকাই

এখন গালত যদি কোনোবাই চৰিয়ায়
আনখনো পাতি দিয়া, বছ
এনেকুৱা বাণী আৰু আওৰাই থাকিলে
এজাতিয়ে তোৰ মোৰ নেৰাখিব সঁচ

তেজৰ বিনিময়ত পতান এমুঠি দি
টেঙৰবোৰে ঠগে সহজত
শুকুতাকে মুকুতা ভবাবোৰক
শান্তিৰ কাৰণেহে বোমা ফুটাইছো বুলি
সৰু সৰু মানুহক সাজে বুৰ্বক

এশ গৰু মাৰি খোৱা বনৰজাবোৰে ঘৰে পৰে সকলোতে সন্মান পায়
নখ জোকাৰি নৈ বোৱাব নোৱাৰি
বিচাৰত ৰাইজৰহে নেজ কটা যায়

পাপৰ ধন হেনো পৰাচিতত যায়
পৰাচিত হ'বলৈ বুটমাহ কিনি থৈ
মানৰতাক পাতত দি খায়।

(ৰচনাকাল ঃ ১৯-০৫-২০০৬)

(২৬)

মানুহে যদি হাত মেলি দিয়ে
মানুহেই চাপিব কাষ
মানুহৰ জুহালত মানুহেই পড়িব
মানুহৰেই ইতিহাস

মানুহৰ বাউসিৰ ঘাম সৰি সৰি
তিতে ইতিহাসৰ পাত
পুৰুষে পুৰুষে নতুনৰ জোঁৰ লৈ
কাটে মানৱতাৰ বাট
মানুহেই ভাঙিব মহাকাশৰ সাঁথৰ
তৰাৰ দেশতো হ'ব মানুহৰ সুবাস

হৃদয়ৰ উত্তাপ নিচিনি কেতিয়াবা
মানুহে কৰিব ভুল
সাৰ পাই উঠিব আকৌ মানৱতা
আকৌ ফুলিব ফুল
মানুহৰ ধমনীত বৈয়েই থাকিব
মানৱতাৰ নির্যাস।

(ৰচনাকাল ঃ ২৯-১২-২০০৬)



(২৭)

মানুহে কান্দিব পাৰে
পিছে মানুহেই চকুলো মচিব জানে
মানুহে নাহাঁহিলে হাঁহিব কোনে

মানুহে ভুল কৰে
তেজেৰে খেল কৰে
পিছে ভুলৰ সমাধিত ফুল
মানুহে নুফুলালে ফুলাব কোনে

মানুহ দেখি যদি মানুহে ভয় কৰে
কাক দেখি হ'ব নির্ভয়
ইতিহাসে মানুহক অভিশাপ নিদিবনে
মানৱতাক যদি বন্ধকত থয়
মানুহে যদি হৃদয় বেচে
কিনিব কোনে।

(ৰচনাকাল ঃ ২৬-০২-২০০৭)

(২৮)

মানুহৰ তেজে যদি পিয়াহ গুচায়
মোৰ তেজকেই খোৱা
মাথোঁ মোৰ হৃদয়খন নতুন পুৰুষলৈ
সাঁচি ৰাখিবলৈ দিয়া

মানুহৰ চকুৰ চকুলো চাই
যদি মানুহে হাঁহিব পাৰে
মানুহৰ গাৰ তেজ দেখিলে
যদি মানুহৰ ৰংহে চৰে
তেনে, এয়াই নেকি মানৱতা
যাক লৈ মানুহে ফিতাহি মাৰে

তেজৰ ফটিকা খোৱা হেৰা মানুহৰ বৰনাতিহঁত
বুলেটেৰে ফুলাব নোৱাৰি ফুল
পাৰি বুলি ভাবিছা যদি কৰিছা মহাভুল
বন্দুক বোমাৰে যদি বিচাৰা
পৃথিৱীৰপৰা মচি দিব পাৰা
মানুহ জাতিৰ নাম
পিছে ইতিহাসে চিয়ঁৰি উঠিব
মানুহ এবিধ হিংস্র পশু
ধ্বংসই যাৰ কাম।

(ৰচনাকাল ঃ ২৬-০২-২০০৭)



(২৯)

আই তোৰ বাটৰ ধূলি
চকুৰ পানীৰে আৰু কিমান তিয়াম
ফাট মেলা পথাৰৰ শুকান বুকুত
ঘামৰ টোপাল আৰু কিমান সৰাম

লুইত অ' বুকু তোৰ ইমান তৰাং
আই অ' আজি তই ইমান খৰাং

ছটিয়াই শেষ হ'ল কেঁচাঘাম মোৰ
শুকান হৈয়েই ৰ'ল বুকুখন তোৰ
পথাৰৰ ছিৰাল ফাটে দাঁত নিকটাই
গিলিব খুজিছে মোক বচা অ' আই।

(ৰচনাকাল ঃ ১২-১২-২০০৬)

(৩০)

অ' মোৰ গাঁৱৰ মাটিয়ে মাতে

তেজাল মাখিলতি ফুলে

সৰি সৰি উচুপে

বাৰীৰ সুৰুকীয়া বাটে বাটে

হ'ব পায় মোলৈকে ওফোন্দ পাতে

হেৰ' ওপজা মাটি, নুসুধিবি

মই তোক পাওঁনে ভাল

মোৰ বুকুত হাত দি চাই ল

তই মোৰ বুকুৰ এফাল

কঠীয়াৰ আলতীয়া চেনেহৰ গোন্ধে

ভলুকাৰ লেকেচিত কলমটিয়াই

আবেলি বেলিৰ ৰঙে

মোৰ পুৰতীয়া টোপনি ভাঙে

পথৰুৱা নৰা-পেঁপাৰ কলিজা-আঁকোহা মাতে

মোকেই মাতে।

(ৰচনাকাল ঃ ১৮-০৪-২০০৭)



(৩১)

বহুদিন হ'ল মই গান লিখা নাই

এৰো-নেৰো থোকভৰা ধান দেখা নাই

আবেলি পথাৰে কান্দিলেও কান্দিছে

বহুদিন হ'ল মই কাণ পতা নাই

অ' গেঁৰোগেঁথো মোৰ পথাৰৰ ধানৰ গোন্ধ

কলিজাৰ পঁজালৈ নিতৌ এবেলি আহিবিচোন

তিনিওখন নিহালি ৰ'দাই থ'ম

লাগিব চিনাকি উম

তয়ে ময়ে মিলি বাৰুকৈ এঘুমটি শুম

আই মই যাম

চোতালৰ কেঞাবন লুটিয়াই বগৰাই

সৰোবা চকুলো তোৰ বিচাৰি পাম

পোতনি এবাটিত শুই থাকিব পায়

মই লিখো বোলা গান।

(ৰচনাকাল ঃ ০১-০৮-২০০৭)

(৩২)

কোনে শুনে কোনে নুশুনে

গানতো গাবই মোৰ প্ৰাণে

কোনে জানে কোনে নাজানে

গানৰ বানে মোৰ সীমা নামানে

মৌ-সৰা এমুঠি ধানে

আইৰ কাচিখনৰ শানে

মোৰ গানৰ গভীৰতা জানে

মোৰ গানে জানে বুজে প্ৰাণৰ ভাষা

মোৰ গান নিৰাশাত আশাৰ শিখা

মোৰ গানে আনে

নতুনৰ বান প্ৰাণে প্ৰাণে।

(ৰচনাকাল ঃ ২৩-০৮-২০০৬)



(৩৩)

হৃদয়ৰ সাতোটা বেথা

তোমাৰে আমাৰে বুকুৰো বুকুৰে

শোকৰো শোকৰে কথা

যি গীতে গাব

সেই গীত অতিকে মিঠা

গানৰ প্ৰাণৰ ভাষা একে

গানেই প্ৰাণৰ দাপোণখনি

ভাল গান কাণে শুনাৰ আগেই

পোনেই বাজে প্ৰাণত ৰিণি

বেদনাৰ ভাৰ গধুৰ হ'লে গানেৰে খুলি ক'বা

পাতল পাতল পাবা

শ্ৰোতা বিচাৰি যাব নালাগে

মোকেই কাষত পাবা

মোকহে গাবলৈ নক'বা পিছে

মোৰ হিয়াত কিবা থাকিলে দুখেই এমুঠি আছে

হিয়া খালী কৰি তাকো বিলালে

জীয়াই থকাৰ সাৰথি হ'বলৈ

বাকী আৰু কি আছে।

(ৰচনাকাল ঃ ১৬-০২-২০০৬)

(৩৪)

এটা জীৱন জীয়াই থাকিবলৈ
যিমান মৰম লাগে
দিয়া যদি তুমি সিমান মৰম দিয়া — প্ৰিয়া

তোমাৰ হিয়াৰ পৰশ নাপালে
হয়তো মই নুবুজিলো হয়
মোৰো এখন হিয়া আছে
তোমাৰ চকুযুৰি দেখা নাপালে
হয়তো মই নাজানিলো হয়
এই পৃথিৱীত সুখো আছে
ভালপোৱা কি নুসুধিবা মোক
বুকুৰ মাজৰ কিবা
কাঁইটীয়া এই জীৱন বাটত মই ভাগৰি গ'লে
অসহায় হৈ প্ৰেৰণা বিচাৰি তোমাৰ মুখলৈ চালে
মাথোঁ এটি মিচিকীয়া হাঁহি দিবা

উমাল হাতৰ লাহি আঙুলিৰে
চাবা মোৰ বুকুৰ গভীৰতা
সেমেকা দুওঁঠ ওঁঠত লগাই
মচি দিবা যত আকুলতা
দুচকুৰ পানী আঁচলেৰে মচি দিয়া যদি তুমি
কোলাত মূৰ থৈ ফুল লেখিবলৈ দিয়া।
(ৰচনাকাল ঃ ১৪-০২-২০০৬)



(৩৫)

তোমাৰ চকুত তৰা ফুলা দেখি
মোৰ বুকুতো উঠিছে জোন
জোনাকে চাদৰে ডাৱৰ আৰৰে
হাতত দুহাত থোৱাহিচোন

আকাশৰ এবাটি নীলাত পমিব লাগিছে জোন
হিয়াৰ উমত পমিছে হিয়া
ওঁঠৰ পাহিত কেঁচা মৰমৰ সপোন
হিয়াৰ উমত নপমে কি
নপমে কোন কোৱাচোন

তোমাৰ হিয়াৰ চোতালে চোতালে নিৰলে নিৰলে
মই দুভৰি থওঁ
তোমাৰ প্ৰেমৰ সোপানে সোপানে উমানে উমানে
মই থমকি ৰওঁ
আশাৰ এপাহি দুপাহি ফুলক
আহা আপোনপাহৰা হওঁ
হিয়াৰ উমত নপমে কি
নপমে কোন কোৱাচোন।
(ৰচনাকাল ঃ ১০-১১-২০০৬)

(৩৬)

ফুলবোৰ ফুলিবলৈ ভাল
ফুলি থাকিবলৈ টান
হাঁহিবোৰ হাঁহিবলৈ ভাল
ধৰি ৰাখিবলৈ টান

সুখৰ কোলাতে দুখ জীৱনৰ দান
কাঁইটৰ সিপাৰেহে ফুলে গায় গান
দুখত পৰিছো বুলি কান্দিবলৈ ভাল
সহি থকাটোহে টান

জীৱনৰ নিজাকৈ নাই একো দাম
দাম বঢ়োৱাটো তোমাৰহে কাম
জীৱনৰ প্ৰেমত পৰিব জানিলে
জীয়াই থকাটো নহয় একো টান।

(ৰচনাকাল ঃ ২২-১০-২০০৬)



(৩৭)

ধূলিৰ এজাকি তপত বতাহে
জীৱন শুকুৱাই গ'ল
বৰফ-চেঁচা শিল এটি মাথোঁ
বুকুত বহি ৰ'ল

কান্দিব খুজিও কন্দা হোৱা নাই
চকুৰ পানীও শুকাল
কলিজাখন চেপিলে বাৰু ওলাবনে দুটোপাল

এটুকুৰা মগজু দিওঁ অকণি মৰম দিয়া
তোমাৰ চকুৰ চকুলোৰে
মোৰ বুকুখন তিয়াই নিয়া।

(ৰচনাকাল ঃ ১৩-০৬-২০০৮)

(৩৮)

মোৰ হাতত গোলাপ নাপাবা
পাবা চকুৰ পানীৰে তিতা এমুঠি বালি
মোৰ বুকুত হাত নথ'বা
হেজাৰ সপোনৰ মৰিশালি

জীৱন মানে বহুতো ভুলৰ যোগফল
নে ধূলিৰ বাটত শুকান পাতৰ সমদল
সপোন জানো জীয়াই থকাৰ জ্বৰ
তাচপাতেৰে সজা মিছামিছি ঘৰ

ভিতৰি ভিতৰি শুকাই যোৱা
মোৰ কাষলৈ প্ৰিয়া
আহিছা যদি আহা মোক চুই দিয়া
জীৱনৰ স'তে মই আকৌ যুঁজিম
বুকুৰ ভিতৰখন জীপাল কৰিম
মাথোঁ তুমি মোৰ চকুলো মচি দি
চকুৰে চকুৰে এবাৰ চোৱা।
(ৰচনাকাল ঃ ২৬-০২-২০০৭)



(৩৯)

তুমি চকু মেলি চোৱা
জাকি মাৰি ফুলি উঠক হেজাৰ কঁহুৱা

তুমি এবাৰ দিয়া মিচিকিয়াই
জক্‌মকাই জ্বলি উঠক সাঁজৰ তৰা এশৰাই
একুৰি সাতোটা জোনাকী পৰুৱা
আহক এন্ধাৰ বগাই

তুমি মেলি দিয়া হাত
তগৰে গেজেঙে জঁপিয়াই উঠক লাহি পখিলাৰ জাক
বগলিজাকৰ বাজক গগনা আবেলি-কঁপোৱা মাত

তুমি মোক চুই দিয়া
বুকুৰ বাকৰিত নাচি উঠক প্ৰেমৰ গাখীৰতী ধান
দেহৰ দিচাঙত সাত শাওণৰ দোকোলটঁকা বান।
(ৰচনাকাল ঃ ২৯-০১-২০০৭)

(৪০)

মই এটুকুৰা মম
যিমান সময় জ্বলি ৰ'ব পাৰো
যিমান আন্ধাৰ আঁতৰাব পাৰো
সিমান জ্বলি ৰ'ম

বতাহে যদি অকালতে মোক নুমুৱাই থৈ যায়
আক্ষেপ মোৰ নাই
জ্বলি থকাৰ প্ৰতি ক্ষণ ৰ'ম
আন্ধাৰ আঁতৰাই

মই জ্বলিছো মনৰ মাজৰ আন্ধাৰ নাশিবলৈ
মই জ্বলিছো সূৰ্যোদয়ৰ বাট দেখুৱাবলৈ

মানুহৰ বুকুৰপৰা মানুহৰ বুকুলৈ যোৱা বাট
যদি আন্ধাৰে ঢাকি থয়
সেই বাট পোহৰাম মই

দূবৰি বনৰ পাত এটিতো পৰিব মোৰ পোহৰ
তাতেই কিজানি শুই থকা পাওঁ
জীৱনৰ সুন্দৰ

মই যেতিয়া জ্বলি জ্বলি শেষ হৈ যাম
সূৰ্যমুখী ক'ত ফুলে দেখুৱাই থৈ যাম
পুৱা যেতিয়া সূৰ্যমুখীয়ে পাতিব পোহৰ মেলা
এবাৰ মাথোঁ সুঁৱৰিবা মোক পিন্ধাই চকুলো মালা।

(ৰচনাকাল ঃ ২০-১১-২০০৬)



(৪১)

আবেলিৰ বেলিটো ফাটি
বুকুৰ এসোঁতা ৰঙা তেজেৰে
আকাশ পেলালে ঢাকি
তুমি অহালৈ কিমান বাকী

আঁহতপাতৰ ফাঁকেদি সৰকি
এজাক বতাহ ঘৰমুৱা হ'ল
শূন্য আকাশে বাউসি মেলি
পথাৰখনকে সাবটি ৰ'ল

বঁকিয়াইদি পোনাই তুমি মোৰ পদূলিত ওলাবাহি
বুকুৰ গধূলিগোপালজোপা প্ৰেমেৰে ফুলাই তুলিবাহি
জোনায়ে এতিয়া জ্বলাব চাকি
তুমি অহালৈ কিমান বাকী।

(ৰচনাকাল ঃ ১৪-০৬-২০০৮)

(৪২)

এই জোনাক ইমান নিজান

বাঢ়নী পানীৰ বুকুৰে-সৰকা

শীতল গান

জোনাকে জোনাকে বগাই আহি

আজাৰ ফুলৰ গোন্ধে

লগৰী বিচাৰি পালানে নাই

জোনাকীজাকক সোধে

জোনাকীজাকে নিজেহে জানে

লগৰী বিচাৰি পোৱাই টান

এটুকুৰা মেঘৰ সিপাৰে

সৌটো তোমাৰ চকুৰ মণি নে জোন

বাঢ়নী পানীৰ গানে গানে

তোমাৰ কোমল উশাহ নিশাহ

তোমাৰ মাতকে শুনিছোচোন

দেখিছানে মোৰ গজালি মেলিছে

বুকুৰতলিৰ ধান।

(ৰচনাকাল ঃ ১৫-০৬-২০০৮)



(৪৩)

এজাৰৰ ৰঙা ফুল

নিজৰাত পাহে পাহে সৰে

দাপোণত মুখ চাই

কাৰ প্ৰিয়াৰ চকুপানী পৰে

হেৰ' ফুলাম এজাৰ

তইতো নাজান মোৰ বুকুত কিমান বেজাৰ

নুবুজ কিমান দুখে আঙুৰি ধৰিব পাৰে

কিমান আশাই বুকুত কৰে হাহাকাৰ

হেৰ' এজাৰৰ ফুল

আহ্ মোৰ কলিজাটো ৰঙাই তোল্

হেজাৰ বিষাদ পাহৰি এপলক

তোৰে স'তে দে হওঁ মচগুল।

(ৰচনাকাল ঃ ১৮-০৭-২০০৬)

(৪৪)

বেলফৈৰ ফুলত ক'ৰেনো কণ কণ মৌ

কলমৌৰ পাতত দিক্‌চৌ বতাহৰ ঢৌ

অ' ৰাঙলী আমৰলিৰ লালি

অ' পখিলা ফুলৰ খবৰ ক'ত বাৰু পালি

অ' মৌ নালাগে ফুলৰপৰা

ৰস মোৰ চুহি নে বুকুৰপৰা

দুখ মই ৰাখিছো বুকুভৰা

অ' মৌ সাজিবি ৰহেঘৰা।

(ৰচনাকাল ঃ ২১-০৭-২০০৬)



(৪৫)

বাহলৈ ওভতা বগলি এজাকে কৈ থৈ গ'ল

সন্ধিয়া নামিবৰ হ'ল

নীলাকৈ আকাশৰ শিতানে পথানে

ৰং ছটিয়ালে কোনে

পৰো পৰো হোৱা আবেলিৰ বেলিটিক

সেন্দূৰ পিন্ধালে কোনে

বেলিটিৰ কপালৰ সেন্দূৰ খহি পৰি

মেঘৰ ফাঁকে ফাঁকে বিৰিঙি গ'ল

মোৰ দুগালত সৰি পৰিছেহি

ৰ'দৰ ৰঙচুৰা পাহি

পাহৰো পাহৰো তাহানিৰ কাহিনী

মনতে পৰিছে আহি

পাখি ডেউকাৰে লাহি ঐ বগলি

কিনো মাদকতা সিঁচি থৈ গ'ল।

(ৰচনাকাল ঃ ১৬-১০-২০০৬)

(৪৬)

দুপৰীয়াই নাহিলা

এতিয়া তেনেই আবেলি হ'ল

আকাশৰ ঠেঙুলিত বেলি পকি ৰহি গ'ল

আকাশৰ এডৰা ৰ'দৰ জাকৰুৱা কপৌ

মেঘৰ মূধচ এৰি উৰি গুচি গ'ল

এতিয়া তেনেই আবেলি হ'ল

বুকুৰ কুকুৰাজঁবা ফুলিও সৰিল

ফুলাম পখিলাজনী আমঠু ডেও দি

সুৰুকীয়া বাট মোৰ এৰি উৰি গ'ল

উৰি গ'ল পখিলা গুচি গ'ল কপৌ

ঠিকনা এৰি থৈ ক'ৰবা পালেগৈ

মোৰ আশাৰ জিৰণীয়া মৌ।

(ৰচনাকাল ঃ ২১-০১-২০০৭)



(৪৭)

আগলি বতাহৰ উমাল কোলাত

গধূলিৰ গোন্ধোৰা ধূলি

আকাশে আন্ধাৰে টাকুৰি মেৰাই

তুমি আছা যেন চুলি মেলি

আন্ধাৰৰ আঁহে আঁহে তোমাৰ গধূলি গধূলি হাঁহি

বতাহৰ পাহে পাহে তোমাৰ ওঁঠৰ নুফুলা পাহি

আঁহত পাতৰ সুহুৰি নে

তোমাৰ লাহি আঙুলিৰ বাঁহী

আন্ধাৰৰ খোপাত পিন্ধাই পঠালো

হৃদয়তলিৰ জবা

বুকুত গুঁজি থ'বা

বতাহৰ বোকোচাত চুমাৰ চিঠি

গাঁঠি সোলোকাই পাবা

পদূলিৰ ধূলিত আউলী বাউলী

তোমাৰ সপোনবুলীয়া চুলি।

(ৰচনাকাল ঃ ১২-০১-২০০৭)

(৪৮)

মোৰ বুকুৰ বগলি-বাঁহ
লৰিছেনে পচিছে
মোৰ আশাৰ এডৰা ঘাঁহ
গজিছেনে মৰিছে
এবাৰো উমান নল'লাই
নৰ'লা গ'লা যি গ'লাই

দেও-ডঁৰিকনা উজায়নে বুকুত
আহেনে আহাৰৰ ধল
ডাঁহেচীয়া সপোনে অগা-ডেৰা কৰেনে
চলঙাত পোখায়নে নল
বুকুতে গুপুতে থ'লা যি থ'লাই
কাণি-দুৱৰীকৈ ওৰণি টানি লৈ গ'লা যি গ'লাই

বুকুৰে খোৰোঙত গেজেঙৰ কে'বাপাহ
নাচালাহে উদঙাই
হাতৰে তলুৱাত মৰম মলঙালা
নিদিলাহে থুৰিয়াই
একলা দুকলা দুখে জ্বলা-কলা
লুকোৱা ভুমুকা কেলেই কৰিলা
নক'লাহে উদিয়াই
তুমিতো নিমাতে ৰ'লা যি ৰ'লাই
কাণি-দুৱৰীকৈ ওৰণি টানি লৈ গ'লা যি গ'লাই।

(ৰচনাকাল ঃ ২৯-১২-২০০৬)



(৪৯)

দূবৰি-গামোচাত দুভৰি গ'লাহি
পলকতে পিছলাই
দেখো কি নেদেখো চাই

মেলে কি নেমেলে দূবৰিত গজালি
মেলো কি নেমেলো হাত
চালা কি নাচালা মিহিকৈ চাৱনি
দিলা কি নিদিলা মাত

দুখনি ওঁঠেদি কি-ষাৰ ক'লানো
ফুটে কি নুফুটে মাত
গ'লাগৈ যিফালে ধুঁৱলি কুঁৱলি
মনো কি নমনো বাট।

(ৰচনাকাল ঃ ২৯-১১-২০০৬)

(৫০)

গধূলিগোপালে ফুলে জাকি মাৰি
পাহিৰে চুপহি ঢাকে
এন্ধাৰে এন্ধাৰে সন্ধিয়া আহিছে
ক'লেহি জোনাকীজাকে

উকা আকাশৰ কপাল শুৱাই
সাৰ পাই উঠিলে জোনে
সৰু তৰাটিয়ে দিলে এঙামুৰি
টোপনি ভাঙিলে কোনে

জোনাকে নাজানে জোনেও নাজানে
সন্ধিয়া কোনেনো আনে
এবুকু এন্ধাৰে ক'লে কাণে কাণে
গধূলিগোপালৰ গানে।

(ৰচনাকাল ঃ ২৭-১০-২০০৬)



(৫১)

গৰখীয়া বেলি ডুবো ডুবো হ'ল
হাঁচতি কটাৰী ল'লিনে সামৰি
ঘৰলৈ ঘূৰিবৰ হ'ল

ওখকৈ আঁহতৰ ওখ ফেৰেঙণি
বহি লৈ বজালি বাঁহী
বাঁহীৰে সুৰতে ঘাঁহনি কঁপিছে
ফুলিছে ৰ'দৰে পাহি

আউনী পাণেৰে তামোলৰ সেলেঙি
ৰাগিতে উতলা হ'লি
পাটীদৈৰ জোপোহাত দামুৰী সোমালে
লেকেচি জোকাৰি গ'লি।

(ৰচনাকাল ঃ ০৪-১০-২০০৬)

(৫২)

মোৰ জীৱনৰে দুখ বেদনাবোৰ

জীৱন বীণাৰ বিষাদৰে সকৰুণ সুৰ

কোনেও নাজানে কোনেও নুবুজে

মাথোঁ ৰিণি ৰিণি বাজে হৃদয়ত মোৰ

কতবাৰ যে চকুলো টুকিলো

এবাৰ হাঁহিব খুজি

জীৱনৰ যে সকলো হেৰালো

অলপ পাব খুজি

সোঁৱৰণি তুমি নকৰা আমনি

ঠুনুকা কলিজা মোৰ

নবজাবা বীণা নবজাবা আৰু

পুৰণি বিষাদৰ সুৰ

পাহৰণি মোৰ আহিছে নামি

বুকু পেলাবহি জুৰ।

(ৰচনাকাল ঃ ২১-০৮-২০০৬)



(৫৩)

এগাগৰি ভৰাই ওখ গৰা বহাই

ৰতনীজনী মোৰ ঘৰলৈ উভতি যায়

সিপাৰৰেপৰা জগাকাঠটুকুৰাত

থিয় হৈ আছিলো চাই

ওঁঠৰে ধুনীয়া ৰঙা গুলপীয়া হাঁহিৰে ধুনীয়া বেঁকা মিচিকীয়া

গোৰোহাৰ গেৰুৱা ৰং

হৃদয়ৰ ধুনীয়া মৰমৰ এচুঙা মৰমৰ ধুনীয়া দুওঁঠৰ এচুমা

চেনেহে বুলোৱা খং

তোৰে ঐ ৰূপেৰে তোৰে ঐ গুণেৰে মোৰে ঐ আমঠুৰ মণি

তোৰে ঐ নিচিনা ৰতনী এজনী

নেপামে ক'তো কিজানি

সপোনে সচিতে তয়ে অ' ৰতনী

চকুতে মাৰ যায় চকুৰে টোপনি

তোৰে কথা ভাবি গুণি মূধৰে মাৰিলি গণি

চিপিয়াই চিপিয়াই ক'বহে পৰা নাই

মনৰে কথাটি খুলি জ্বলি পকি উঠ বুলি

বৰশী বাওঁতে চতহি আবেলি

যিটো চাৱনিৰে মোলৈ চাই আছিলি

চকুত চকু পৰাত তলমূৰ কৰিলি

সকলোটি পালো বুজি

তোৰে ঐ বুকুতে কেতিয়া পোখালে

চেনেহৰে গজালি।

(ৰচনাকাল ঃ ০৭-১১-২০০৬)

(৫৪)

গোলাপ যদি নোৱাৰো হ'ব
তোমাৰ খিৰিকিমুখত
আইফুল হৈ ফুলি থাকিম
তোমাৰ বাৰীৰ ঢাপত

ঢাপতে ফুলিম ঢাপতে সৰিম
মৰহি পৰিব পাহি
নালাগে তুমি হাত বুলাবহি
মোৰ কাষলৈ আহি

মলয়াজাকে তোমাক কেতিয়াবা
ক'বগৈ মোৰ দুখ
এবাৰলৈ মাথোঁ সুঁৱৰিবা মোক
সিয়ে হ'ব মোৰ সুখ

মই আইফুল মানুহ নোযোৱা কোনোবা বাৰীৰ ঢাপৰ
ফুলিব লাগিছো সৰিব লাগিছো গীত গাই মাথোঁ দুখৰ।

(ৰচনাকাল ঃ ১০-১০-২০০৬)



(৫৬)

যুদ্ধ মানে কোনো ফূৰ্তি নহয়
নহয় বীৰত্বৰ উছৱ
নহয় মহত্ত্বৰ পুলক
যুদ্ধ মানে এক নিকৃষ্টতা
যুদ্ধ মানুহৰ দানৱতা
মানুহৰ চূড়ান্ত অসভ্যতা

ইতিহাসে যদি অতীতলৈ উভতি যাবলৈ কয়
তেনেকুৱা ইতিহাস জপাই থোৱা
দেশপ্ৰেমে যদিহে ট্ৰিগাৰ টিপে
দেশপ্ৰেম যদি হয় হত্যাৰ উল্লাস
তেনেকুৱা দেশপ্ৰেম দলিয়াই দিয়া

নিৰীহ মানুহৰ মৃত্যু নোহোৱা
যুদ্ধ ক'ৰবাত আছে জানো
আহত সৈনিকে চিৎকাৰ নকৰা
যুদ্ধ ক'ৰবাত আছে জানো
শান্তিৰ কাৰণেহে যুদ্ধ লাগে বুলি
ভণ্ড শাসকে কৰে প্ৰচাৰ
দেশপ্ৰেমৰ ৰাগিৰে মগজু অসাৰ কৰি
পাতি লোৱা শত্ৰুক কৰে সংহাৰ।

(ৰচনাকাল ঃ ২৭-০৬-২০০৮)